চতুৰ্থ অধ্যায়

# অসমৰ অৰ্থনৈতিক বুনিয়াদ

## প্ৰয়োজনীয় তথ্য

- অসমৰ অৰ্থনৈতিক অৱস্থা আৰু বিকাশৰ গতি
- অসমত উৎপাদিত শস্যৰ প্ৰকাৰ আৰু উৎপাদন
- অসমত অৰ্থ উপাৰ্জক কৃষিৰ উৎপাদন আৰু ৰাজ্যখনৰ অৰ্থনীতিত প্ৰভাৱ।
- ৰাজ্যখনত ঔষধি আৰু উদ্যান শস্যৰ গুৰুত্ব

DAILY ASSAM

## অৰ্থনৈতিক অৱস্থা
## (ECONOMIC CONDITION)

উত্তৰ-পূব ভাৰতৰ একমাত্ৰ সমতলীয় ৰাজ্য অসমক চৌদিশে পাহাৰীয়া ৰাজ্যসমূহে আগুৰি আছে। এই ৰাজ্যৰ কেৱল তিনিখন জিলা পাহাৰীয়া কাৰ্বি আংলং, পশ্চিম কাৰ্বি আংলং আৰু ডিমাহাচাও। মহাবাহু ব্ৰহ্মপুত্ৰ হ'ল ৰাজ্যখনৰ জীৱনৰেখা। অসমৰ সামগ্ৰিক অৰ্থনীতি প্ৰধানকৈ নিৰ্ভৰ কৰিছে ৰাজ্যখনৰ মানৱ সম্পদৰ ওপৰত। অসমৰ কৃষি, উদ্যোগ আৰু ব্যৱসায়-বাণিজ্য আদি প্ৰায় সকলোবোৰ অৰ্থনৈতিক কাৰ্য-কলাপ উপৰোক্ত কাৰকসমূহৰ দ্বাৰা নিয়ন্ত্ৰিত।

সেৱাখণ্ডৰ বাহিৰে অসমৰ কৃষি আৰু উদ্যোগ ক্ষেত্ৰত ঘৰুৱা উৎপাদন ২০১১-১২ চনৰ তুলনাত ২০১৫-১৬ চনত কম-বেছি পৰিমাণে একে আছে। কৃষি আৰু সংশ্লিষ্ট উৎপাদন ক্ষেত্ৰত ২০১১-১২ চনৰ ১৯.৮৯ শতাংশৰ পৰা ২০১৫-১৬ চনত ১৮.৬৬ শতাংশলৈ হ্ৰাস পোৱাহে দেখা গৈছে। শিল্পদ্যোগৰ ক্ষেত্ৰতো আয়ৰ পৰিমাণ ২০১১-১২ চনৰ ৩০.৬৬ শতাংশৰ পৰা ২০১৫-১৬ চনত ২৮.৮২ শতাংশলৈ হ্ৰাস পোৱা দেখা গৈছে। খনিজাত সামগ্ৰী উৎপাদনৰ আয় উক্ত সময়ছোৱাত ৩৩.৪ শতাংশৰ পৰা ২৫.০ শতাংশলৈ হ্ৰাস হৈছে। ইয়াৰ বিপৰীতে সেৱাখণ্ডৰ পৰা হোৱা আয়ৰ পৰিমাণ এই কালছোৱাত ৪৩.৯৭ শতাংশৰ পৰা ৪৬.৭১ শতাংশলৈ বৃদ্ধি পাইছে। ২০১১-১২ চনক ভিত্তি বছৰ হিচাপে লৈ অসমৰ সামগ্ৰিক ঘৰুৱা উৎপাদনৰ মূল্য ২০১৪-১৫ চনৰ ১৬৬৭০৮.৮৫ কোটি টকাৰ বিপৰীতে ২০১৫-১৬ চনত ১৭৯৩৯৪.৭৩ কোটি টকা হৈছে বুলি এক সমীক্ষাত কোৱা হৈছে। সেই হিচাপে ৰাজ্যখনৰ অৰ্থনৈতিক উন্নয়নৰ হাৰ সেই সময়ছোৱাত হয়গৈ ৭.৭৩ শতাংশ। অৱশ্যে ৰাজ্যখনৰ এই উন্নয়নৰ হাৰ ভাৰতবৰ্ষৰ সামগ্ৰিক উন্নয়নৰ হাৰৰ তুলনাত ০.১৫ শতাংশ কম। উক্ত সময়ছোৱাত উল্লিখিত উন্নয়নৰ হাৰ সকলো খণ্ডত উন্নয়ন হাৰ ৩.৮৮ শতাংশৰ তুলনাত উদ্যোগ খণ্ডত এই হাৰ ৯.৪১ শতাংশ আৰু সেৱা ক্ষেত্ৰত ৮.২১ শতাংশ বুলি এক চৰকাৰী দ্ৰুত গণনাত কোৱা হৈছে। এই গণনা অনুসৰি ২০১৪-১৫ চনৰ তুলনাত ২০১৫-১৬ চনত উদ্যোগ ক্ষেত্ৰত উল্লেখযোগ্য উন্নতি পৰিলক্ষিত হৈছে। নিৰ্মাণ খণ্ডত এই সময়ছোৱাত ১০.৫৫ শতাংশৰ পৰা ১২.৭৫ শতাংশলৈ বৃদ্ধি পাইছে।

## বৃত্তিৰ গাঁথনি
## (OCCUPATIONAL STRUCTURE)

অসমত বসবাস কৰা অধিকাংশই মূলতঃ কৃষিজীৱী। অসমৰ সাৰুৱা মাটি, ব্ৰহ্মপুত্ৰ আৰু ইয়াৰ উপনদী, শাখা নদীৰ বিশাল জলৰাশি আৰু সামগ্ৰিক জলবায়ু কৃষিকাৰ্যৰ বাবে অনুকূল হোৱা বাবেই কৃষি অসমৰ মূল বৃত্তি। যুগ যুগ ধৰি অসমৰ লোকসকলে কৃষিকাৰ্য কৰি জীৱিকা নিৰ্বাহ কৰি আহিছে। স্বাধীনোত্তৰ কালত বিশেষকৈ সত্তৰৰ দশকৰ পৰা অসমৰ বৃত্তিগত গাঁথনিত কিছু পৰিৱৰ্তন আহিছে। কৃষিৰ লগে লগে কৃষিভিত্তিক আৰু বনভিত্তিক উদ্যোগ কিছু গঢ়ি উঠাৰ লগতে সেৱাখণ্ডত অধিক লোকে আত্মনিয়োগ কৰি বৃত্তিৰ গাঁথনিত পৰিৱৰ্তন আনিছে।

## কৃষি
## (AGRICULTURE)

কৃষিখণ্ডত ব্যৱহৃত হোৱা অঞ্চল, ৰাজ্যখনৰ সকলো খণ্ডত ব্যৱহৃত ভূমিতকৈ অধিক। ৰাজ্যখনৰ প্ৰায় ৫৪.১১ শতাংশ মাটি কৃষি কাৰ্যত ব্যৱহৃত। ৰোপণ কৃষিখণ্ড সামৰি ল'লে ৰাজ্যখনৰ শতকৰা ৮০

শতাংশ মানুহে কৃষিৰ ওপৰত নিৰ্ভৰ কৰে। জনসংখ্যা বৃদ্ধিৰ লগে লগে কৃষি পদ্ধতিত যথেষ্ট পৰিৱৰ্তন অহা দেখা গৈছে। প্ৰকৃত আৰু মুঠ শস্যক্ষেত্ৰৰ পৰিমাণ বিগত কেইটামান দশকত যথেষ্ট বৃদ্ধি পাইছে (তালিকা নং ১)।

অসমৰ ৫৪.১১ শতাংশ মাটি কৃষি কাৰ্যত ব্যৱহৃত হয় আৰু ৰাজ্যখনৰ ৮০ শতাংশ মানুহে কৃষিৰ ওপৰত নিৰ্ভৰ কৰে।

ইয়াৰ ফলস্বৰূপে, প্ৰধানকৈ বনাঞ্চলৰ পৰিমাণ কমি গৈছে। কৃষি উৎপাদন বৃদ্ধি যথেষ্ট হৈছে যদিও পৰিৱেশৰ ওপৰতো ইয়াৰ বিৰূপ প্ৰভাৱ পৰা পৰিলক্ষিত হৈছে।

## কৃষি উৎপাদন (AGRICULTURE PRODUCTION)

অসমৰ কৃষি উৎপাদনৰ প্ৰধান কাৰকসমূহ হৈছে সমতল ভূমি, সাৰুৱা মাটি আৰু পৰ্যাপ্ত বৰষুণৰ লগতে কৃষি শস্যৰ বাবে অনুকূল জলবায়ু। অসমৰ মূল কৃষি শস্য হ'ল ধান আৰু এই ধানৰ পৰা ওলোৱা চাউল অসমীয়া মানুহৰ প্ৰধান খাদ্য। ধানৰ বাহিৰে ৰাজ্যখনত মৰাপাট, কুঁহিয়াৰ, চাহ, মাহজাতীয় শস্য, আলু, কপাহ আৰু উদ্যান শস্য উৎপাদন কৰা হয়। ২০১৫-১৬ চনৰ সমীক্ষা অনুসৰি ধান খেতি কৰা অঞ্চল হ'ল ২৪.৮৫ লাখ হেক্টৰ। এই এলেকা ৰাজ্যখনৰ খাদ্য-শস্য উৎপাদনৰ বাবে ব্যৱহাৰ কৰা মুঠ এলেকাৰ ১২.৯৬ শতাংশ। গ্ৰীষ্ম, শৰৎ আৰু শীতকালত কৰা ধানৰ উৎপাদন আৰু খেতি কৰা এলেকাৰ পাৰ্থক্য আৰু পৰিৱৰ্তন মন কৰিবলগীয়া। শৰৎ কালত কৰা ধান খেতিৰ এলেকা ২০০৪-০৫ চনত ৪.৩৬ লাখ হেক্টৰৰ পৰা ২০১৪-১৫ চনত ১.৯৬ লাখ হেক্টৰলৈ কমি গৈছে। সেইদৰে গ্ৰীষ্মকালীন ধান খেতিৰ এলেকা ২০১৪-১৫ চনত ৪.১৬ লাখ হেক্টৰৰ পৰা ২০১৫-১৬ চনত ৪.০৫ লাখ হেক্টৰলৈ কমা দেখা গৈছে। ইয়াৰ বিপৰীতে শীতকালত কৰা ধান খেতিৰ এলেকা ২৪.৮৫ লাখ হেক্টৰৰ পৰা ২০১৫-১৬ চনৰ ২৪.৯৫ লাখ হেক্টৰলৈ বৃদ্ধি পোৱা দেখা গৈছে।

ৰাজ্যখনত ঘেঁহু আৰু মাহজাতীয় শস্যৰ উৎপাদন কৰা অঞ্চলৰ পৰিমাণ আগৰ তুলনাত ২০১৫-১৬ চনত কম দেখা গৈছে। আনহাতে তৈলজাত সামগ্ৰীৰ উৎপাদনৰ ক্ষেত্ৰ ২০১৪-১৫ চনত ৩.০৭ লাখ হেক্টৰৰ তুলনাত ২০১৫-১৬ চনত ৩.১১ লাখ হেক্টৰলৈ বৃদ্ধি পাইছে।

অসমত মুঠ খাদ্য-শস্যৰ উৎপাদন প্ৰধানকৈ ২০০৭-০৮ চনৰ পৰা উল্লেখযোগ্য হাৰত বাঢ়িছে (তালিকা নং ২)। ৰাজ্যখনত খাদ্য-শস্যৰ উৎপাদনৰ ক্ষেত্ৰ যোৱা কেইটামান বছৰত কিছু উত্থান-পতন পৰিলক্ষিত হৈছে। ২০১৩-১৪ চনত খাদ্য-শস্যৰ মুঠ উৎপাদন ৫৪,১৮,০০০ টনৰ বিপৰীতে ২০১৪-১৫ চনত ৫৪,৫৯,০০০ টনলৈ বৃদ্ধি পায়। কিন্তু ২০১৫-১৬ চনত উৎপাদন ভালেখিনি হ্ৰাস পায় আৰু ইয়াৰ পৰিমাণ হয়গৈ ৫৩,৫৯,০০০ টন। ২০১৪-১৫ চনত ধানৰ উৎপাদন ৫২,২৩,০০০ টনৰ পৰা নামি ২০১৫-১৬ চনত ৫১,২৫,০০০ টন হোৱা দেখা গৈছে। ইয়াৰ বিপৰীতে ঘেঁহু আৰু তৈলজাত শস্যৰ উৎপাদন বৃদ্ধি পাইছে। ঘেঁহুৰ উৎপাদন ২০১৪-১৫ চনত ২৯,০০০ টনৰ পৰা ২০১৫-১৬ চনত ৩৪,০০০ টনলৈ বাঢ়িছে। তেনেদৰে তৈলজাত শস্যৰ উৎপাদন উক্ত সময়ছোৱাত ২,০৬,০০০ টনৰ পৰা ২,১৫,০০০ টনলৈ বৃদ্ধি পাইছে। মাহজাতীয় শস্যৰ উৎপাদন কিছু হ্ৰাস পাইছে। উক্ত সময়ছোৱাত ইয়াৰ পৰিমাণ ১,১১,০০০ টনৰ পৰা হ্ৰাস হৈ ১,০৮,০০০ টন হৈছেগৈ।

## কৃষি উৎপাদনৰ প্ৰকাৰ (CROPPING PATTERN)

অসমৰ কৃষিৰ শ্ৰেণী বিভাগ বিভিন্ন কাৰকৰ ওপৰত নিৰ্ভৰশীল। জলবায়ু, ভূ-প্ৰকৃতি, মৃত্তিকাৰ গুণাগুণ বিশেষকৈ পানীৰ প্ৰাচুৰ্যতাৰ ওপৰত নিৰ্ভৰ কৰি আৰ্দ্ৰ কৃষি কৰা হয়। অসমৰ আৰ্দ্ৰ কৃষিৰ মূল শস্য হ'ল ধান। আকৌ শস্য উৎপাদনৰ সময় অনুসৰি অসমৰ কৃষিক তিনিটা ভাগত ভগাব পাৰি।

(i) খাৰিফ শস্য (Kharif Crop)
(ii) ৰবি শস্য (Rabi Crop)
(iii) জাইড্ শস্য (Zaid Crop)

এপ্ৰিল-মে' মাহত বৰষুণ আৰম্ভ হোৱাৰ লগে লগে অসমত খাৰিফ কৃষি শস্য সিঁচা হয় আৰু নৱেম্বৰ-ডিচেম্বৰ মাহত শস্য চপোৱা হয়। শালি আৰু বাওঁ ধান, মৰাপাট, কুঁহিয়াৰ আদি হ'ল প্ৰধান খাৰিফ শস্য (তালিকা নং ৩)।

ৰবি শস্য সিঁচাৰ সময় হ'ল শীতকালৰ আৰম্ভণি অৰ্থাৎ অক্টোবৰ আৰু মাৰ্চ মাহ আৰু শস্য চপোৱাৰ সময় হ'ল বসন্ত কালৰ শেষ অংশ অৰ্থাৎ এপ্ৰিল আৰু জুন মাহ। মূল ৰবি শস্যসমূহ হ'ল আহু আৰু বড়ো ধান, সৰিয়হ, মাহজাতীয় শস্য, তিল, ধঁপাত, ঘেঁহু, মাকৈ আৰু বিভিন্ন ধৰণৰ শাক-পাচলি আৰু ফল।

খাৰিফ আৰু ৰবি শস্য উৎপাদন কৰাৰ মাজৰ সময়ছোৱা অৰ্থাৎ মাৰ্চ মাহৰ পৰা জুন মাহৰ ভিতৰত যি কৃষি কাৰ্য কৰা হয় সেয়াই জাইড্ কৃষি। এই কৃষি জলসিঞ্চনৰ ওপৰত নিৰ্ভৰশীল. ৰঙালাউ, তিঁয়হ, তিতাকেৰেলা, তৰমুজ, মটৰমাহ, আলু, পিঁয়াজ, কবি ইত্যাদি জাইড্ কৃষিজাত শস্য।

অসমৰ পাহাৰীয়া জিলা তিনিখনত পৰম্পৰাগতভাৱে আন এক পদ্ধতিৰ খেতি কৰা হয়। পাহাৰৰ লোকসকলে পাহাৰৰ ঢালত গজা হাবি-জংঘল কাটি জুই লগাই খেতিৰ বাবে মুকলি কৰি লয়। এনে কৃষি পদ্ধতিক ঝুম খেতি বুলি কয়। আকৌ স্থান পৰিৱৰ্তন কৰি কৰা এই কৃষি পদ্ধতিক স্থানান্তৰী কৃষি (Shifting Agriculture) বুলিও কয়। ধান, মাকৈ, ৰঙালাউ, জলকীয়া আদি বিভিন্ন শস্য আৰু পাচলি একেডৰা মাটিতে উৎপাদন কৰা হয়। পাহাৰৰ ঢালত এই খেতি কৰা বাবে সাৰুৱা মাটিভাগ ভৈয়ামলৈ বৰষুণৰ পানীয়ে উটুৱাই নিয়ে আৰু অতি কম সময়ৰ ভিতৰত মাটিডৰা অনুৰ্বৰ হৈ পৰে। ফলত এনে কৃষিভূমিৰ উৰ্বৰতা কমি যায়, লগে লগে শস্যৰ উৎপাদনো হ্ৰাস পায়। উৎপাদন হ্ৰাস পোৱা বাবে পাহাৰৰ বাসিন্দাসকলে নতুন এডোখৰ মাটি বাছি লৈ গছ-বন কাটি মুকলি কৰি একে পদ্ধতিৰে কৃষি কাৰ্য কৰে। এনে ঝুমখেতি বা স্থানান্তৰী কৃষিৰ বাবে পাহাৰীয়া জিলা তিনিখনত দ্ৰুতগতিত পাৰিৱেশিক পৰিৱৰ্তন হ'বলৈ ধৰিছে।

অসমৰ কৃষি উৎপাদনৰ পৰিসংখ্যা তথ্য নথিভুক্ত কৰে অৰ্থনীতি আৰু পৰিসংখ্যা বিভাগে (ECONOMICS AND STATISTICS DEPT.)। কৃষি পৰিসংখ্যা তথ্যই কৃষি উন্নয়নৰ বাবে ল'বলগীয়া ব্যৱস্থাত গুৰুত্ব প্ৰদান কৰি চৰকাৰ আৰু কৃষকক সহায় কৰে।

> অসমত খাদ্য-শস্যৰ উৎপাদনৰ ধাৰা তালিকা নং-২ ত দেখুওৱা হৈছে।

## অসমৰ কৃষি সমস্যা (PROBLEMS OF AGRICULTURE IN ASSAM)

অসমৰ কৃষি উন্নয়নৰ ধাৰা, উৎপাদনৰ তথ্য আদি বিশ্লেষণ কৰিলে ৰাজ্যখনৰ কৃষি ব্যৱস্থাত থকা কিছুমান আসোঁৱাহ স্পষ্ট হৈ পৰে। ইয়াৰ ভিতৰত প্ৰধান আসোঁৱাহসমূহ হ'ল—

DAILY ASSAM

(ক) কৃষিক্ষেত্ৰসমূহৰ আকাৰ সৰু, যাৰ বাবে ট্ৰেক্টৰ আদিৰে মাটি চহোৱা অসুবিধাজনক।

(খ) জনমূৰি কৃষিমাটিৰ পৰিমাণ অতি কম, যাৰ ফলত বহুতো কৃষকে নিজৰ প্ৰয়োজনখিনিকে পূৰাব নোৱৰা অৱস্থা হয়।

(গ) পুৰণি কৃষি পদ্ধতিকে খামুচি থকাৰ বাবে হেক্টৰে প্ৰতি যিমান উৎপাদন হ'ব লাগিছিল তাতকৈ বহুত কম উৎপাদন হয়।

(ঘ) সীমিত এলেকাতহে (১৫ শতাংশ কৃষিভূমিত) জলসিঞ্চনৰ ব্যৱস্থা থকাৰ বাবে পানীৰ অভাৱত বহুতো অঞ্চলত খেতিৰ বিস্তৰ ক্ষতি হয়।

(ঙ) প্ৰতি বছৰে বানপানীৰ কবলত পৰি কৃষি শস্যৰ ব্যাপকভাৱে ক্ষতি হয়।

এইবোৰৰ বাহিৰেও উপযুক্ত পৰিমাণৰ সাৰৰ অভাৱ, কৃষকৰ অজ্ঞতা আদি বহুতো কাৰণ আছে, যিবোৰে ৰাজ্যখনত আশানুৰূপ কৃষি উৎপাদনত বাধা প্ৰদান কৰি আহিছে।

## অসমত শস্যাকৰণ প্ৰণালী (CROPPING SYSTEM IN ASSAM)

অসমৰ কিছুমান কৃষি অঞ্চলত একবিধ শস্য (MONO CULTURE), কিছুমান অঞ্চলত দুবিধ শস্য (DUO-CULTURE), কিছুমান অঞ্চলত বহু শস্য (MULTI CROPPING), কিছুমান অঞ্চলত আন্তঃ কৃষি (INTERCULTURE) আৰু ঠাই বিশেষে শস্যাৱৰ্তন (CROP ROTATION) কৰা দেখা যায়। একবিধ শস্যকে একে ডৰা মাটিত বহু বছৰ ধৰি কৰিলে মাটিৰ উৰ্বৰতা হ্ৰাস হয় যাৰ বাবে সাৰ যোগান ধৰিবলগীয়া হয়। কিন্তু আৱৰ্তন কৃষি পদ্ধতিত এবছৰত একেডৰা মাটিতে কেইবাবিধো শস্য উৎপাদন কৰা হয় আৰু পিছৰ বছৰত হয়তো আন কেইবিধমান শস্য উৎপাদন কৰা হয়। যাৰ বাবে তেনে কৃষি ভূমিৰ উৎপাদন ক্ষমতা বহু বছৰলৈ অপৰিৱৰ্তিত হৈ থাকে। একবিধ খেতি কৰা অঞ্চলত কীট-পতঙ্গই যেনেদৰে ক্ষতিসাধন কৰে, আৱৰ্তন কৃষি অঞ্চলত তেনে সমস্যা কম হোৱা দেখা যায়।

## শস্যকৰ্ষণ তীৱ্ৰতা (CROPPING INTENSITY)

$$\text{নিৰ্ধাৰণ পদ্ধতি ঃ } \frac{\text{মুঠ কৃষি উৎপাদন ভূমি}}{\text{প্ৰকৃত কৃষি উৎপাদন ভূমি}} \times ১০০$$

বৰ্ধিত জনসংখ্যাৰ বাবে প্ৰয়োজনীয় খাদ্যৰ অভাৱ পূৰণৰ দুটা পদ্ধতিৰ এটা হ'ল— কৃষিভূমিৰ বৃদ্ধি কৰি উৎপাদন বঢ়োৱা আৰু আনটো হ'ল— পূৰ্বৰ তুলনাত কৃষিভূমিৰ উৎপাদিকা শক্তি বঢ়োৱা।

অধিক কৃষিক্ষেত্ৰ উলিওৱাত থকা অসুবিধাবোৰ হ'ল— কৃষিক্ষেত্ৰ বাঢ়িলে বনাঞ্চলৰ পৰিমাণ কমিব বা আৰ্দ্ৰভূমি পুতি কৃষিভূমি বৃদ্ধি কৰিব লাগিব। সেয়েহে একেডৰা মাটিতে বিজ্ঞানসন্মতভাৱে একাধিক তথা, গহন কৃষি পদ্ধতিৰে শস্য উৎপাদন বঢ়াব পাৰি। অসমৰ দ্ৰুতগতিত বাঢ়ি অহা জনসংখ্যাৰ প্ৰয়োজনীয় খাদ্যৰ জোৰা মাৰিবলৈ কৃষিভূমিসমূহত ক্ৰমে এবাৰৰ পৰিৱৰ্তে দুই বা ততোধিক কৃষিকাৰ্য কৰিবলৈ লোৱা হৈছে। তদুপৰি শস্যাৱৰ্তন পদ্ধতিও অন্তৰ্ভুক্ত কৰা হৈছে।

পৰম্পৰাগত পদ্ধতিয়ে হওক বা উন্নত পদ্ধতিৰে কৰা কৃষি যেনে গহন কৃষি, শস্যাৱৰ্তন আদি সকলোতে জলসিঞ্চনৰ প্ৰয়োজন। বিশেষকৈ অধিক উৎপাদনক্ষম বীজৰ সহায়ত কৰা কৃষিত জলসিঞ্চন

অপৰিহাৰ্য। ক্ষুদ্ৰ, মজলীয়া আৰু বৃহৎ জলসিঞ্চন প্ৰকল্পৰ জৰিয়তে খেতিপথাৰত পানী যোগান ধৰা হয়। পৃষ্ঠজল অৰ্থাৎ বোঁৱতী নৈ বা খাল-বিল আদিৰ পৰা খেতিপথাৰলৈ নলাৰ দ্বাৰা পানী নিয়া হয় অথবা ভূমিগত জল পাম্পৰ দ্বাৰা যোগান ধৰা হয়। ৰাজ্যিক জলসিঞ্চন বিভাগ, পঞ্চায়তৰ অধীনত থকা জলসিঞ্চন বিভাগ আৰু গ্ৰাম্য উন্নয়ন বিভাগ, এই তিনিটা বিভাগৰ জৰিয়তে অসমৰ খেতি পথাৰত পানী যোগানৰ ব্যৱস্থা কৰা হৈছে। ৰাজ্য চৰকাৰৰ জলসিঞ্চন বিভাগেই প্ৰধানকৈ ক্ষুদ্ৰ, মজলীয়া আৰু বৃহৎ জলসিঞ্চন প্ৰকল্পবোৰ নিৰ্মাণ তথা পৰিচালনা কৰে।

## শস্য উৎপাদন (CROP PRODUCTION)

### ধান (Paddy)

অসমৰ মুখ্য খাদ্য শস্য হ'ল ধান। মুঠ কৃষিভূমিৰ শতকৰা ৬৪.৫২ ভাগ অঞ্চলত আৰু ৰাজ্যখনৰ খাদ্য-শস্য উৎপাদন কৰা মুঠ অঞ্চলৰ শতকৰা ৯১.৪৩ ভাগ অঞ্চলত কেৱল ধান খেতি কৰা হয়। অসমত প্ৰধানকৈ চাৰিবিধ ধান উৎপাদন কৰা হয়— শালি, আহু, বাও আৰু বড়ো ধান। অসমত ধান উৎপাদন পদ্ধতি আৰু মুঠ উৎপাদনৰ বৃদ্ধি মন কৰিবলগীয়া। বিগত কেইটামান দশকত ধান উৎপাদন কৰা ক্ষেত্ৰ বৃদ্ধি পাইছে আৰু হেক্টৰে প্ৰতি ধানৰ উৎপাদনো ক্ৰমে বৃদ্ধি পাইছে।

তালিকা ৩ (অসমত ধানৰ উৎপাদন)

এই কথা পূৰ্বতে উল্লেখ কৰা হৈছে যে অসমৰ পূৱ আৰু পশ্চিম কাৰ্বি আংলং আৰু ডিমা হাচাও এই জিলা তিনিখনত বেছিভাগ লোকেই স্থানান্তৰী কৃষি অৰ্থাৎ ঝুমখেতি কৰি আহিছে। এনে খেতি পদ্ধতিৰ বাবে মাটিৰ উৰ্বৰতা দ্ৰুতগতিত কমাৰ লগে লগে ভূমি ক্ষয় বৃদ্ধি হয়। প্ৰধানকৈ এই দুই কাৰণত চৰকাৰে ঝুমখেতি কৰা অঞ্চলসমূহ বেদিকা কৃষিভূমিলৈ ৰূপান্তৰ কৰাত বিশেষ গুৰুত্ব আৰোপ কৰিছে। উঠা-নমা কৰিবলৈ বাসগৃহত খটখটি বনোৱাৰ নিচিনাকৈ পাহাৰত ঢাপ কাটি বেদিকা কৃষি কৰা হয়। এই কৃষি পদ্ধতি বিজ্ঞানসন্মত আৰু এই পদ্ধতিত ভূমিক্ষয় তথা মাটিৰ উৰ্বৰতা হ্ৰাসৰ পৰিমাণ অতি কম আৰু শস্য উৎপাদনো যথেষ্ট বেছি। বেদিকা পদ্ধতিত একেডৰা মাটি বাৰে বাৰে ব্যৱহাৰ কৰিব পাৰি যিটো ঝুমখেতি অঞ্চলত সম্ভৱ নহয়। ঝুমখেতি কৰা অঞ্চলত একোডৰা মাটিত থকা হাবি কাটি খেতিৰ বাবে মুকলি কৰিব লগা হয় আৰু উৰ্বৰতা কমাৰ বাবে আগৰ ঝুমখেতি কৰা অঞ্চল পৰিত্যক্ত হৈ ৰয়।

### মৰাপাট (Jute)

অসমত মৰাপাটেই হ'ল আটাইতকৈ বেছি অৰ্থ উপাৰ্জক আঁহযুক্ত শস্য। অসমৰ উষ্ণ আৰু সেমেকা জলবায়ু মৰাপাট উৎপাদনৰ বাবে উপযোগী। সাধাৰণতে দ সাৰুৱা আৰু বছৰত অধিক সময় পানী থকা মাটিত মৰাপাট খেতি হয়। মৰাপাট উৎপাদনৰ সময়ত উষ্ণতা ২০° ছেলছিয়াছৰ পৰা ৪০° ছেলছিয়াছ, প্ৰতি সপ্তাহত ৫ ছে.মি.ৰ পৰা ৮ ছে.মি. বৰষুণ আৰু আপেক্ষিক আৰ্দ্ৰতা ৭০ শতাংশৰ পৰা ৮০ শতাংশ হোৱা প্ৰয়োজন। এই আটাইবোৰ অৱস্থা অসমৰ সমতল জিলাকেইখন প্ৰধানকৈ পশ্চিম অসমৰ জিলাকেইখনত বিৰাজ কৰাৰ বাবে সেই জিলাকেইখন মৰাপাট উৎপাদনৰ বাবে উপযোগী। মৰাপাটৰ গছ উপযুক্ত সময়ত কাটি বন্ধ পানীত ডুবাই ৰখা হয়। প্ৰায় ২০ (বিশ) দিন মান পানীত গছবোৰ ৰখাৰ পাছত গছবোৰ গেলি যায় আৰু এই বাকলিবোৰ সহজে গা-গছডালৰ পৰা গুচাব পৰা হয়। এই

গেলা বাকলিবোৰৰ পৰা সোণবৰণীয়া মৰাপাটৰ আঁহ আহৰণ কৰা হয়। সেইবাবে মৰাপাটক "সোণালী সূতা" আখ্যা দিয়া হৈছে। অসমত মৰাপাটৰ খেতি নগাঁও, মৰিগাঁও, গোৱালপাৰা, ধুবুৰী আৰু বৰপেটা জিলাত অধিক পৰিমাণে হয়। সাধাৰণতে অসমত উৎপাদিত মৰাপাট প্ৰকাৰ ভেদে ১ মিটাৰৰ পৰা ৪ মিটাৰ পৰ্যন্ত দীঘল হয়।

### চাহ (Tea)

চাহ অসমৰ প্ৰধান অৰ্থ উপাৰ্জক কৃষি। অসমত চাহখেতিৰ বাবে উপযুক্ত পৰিৱেশ পোৱা যায়। বাৰ্ষিক বৰষুণৰ পৰিমাণ ১৫০-২০০ চেণ্টিমিটাৰ, উষ্ণতা ৩০° ছেলছিয়াছতকৈ অধিক আৰু অম্লীয় এঢলীয়া মাটি প্ৰায়বোৰ জিলাত পোৱা যায় বাবে অসম ৰাজ্য পৃথিৱীৰ ভিতৰতে চাহ উৎপাদনৰ বাবে এক উল্লেখযোগ্য অঞ্চলৰূপে পৰিগণিত হৈছে। ৰাজ্যখনত ৮৫০ খনতকৈ অধিক ডাঙৰ চাহ বাগিচা আৰু কেইবাহাজাৰো ক্ষুদ্ৰ চাহ বাগিচা আছে (তালিকা নং ৪)।

অসমত চাহ খেতি কৰা মুঠ এলেকাৰ পৰিমাণ হ'ল ৩০৪,১৩৩ হেক্টৰ। ৰাজ্যখনে বছৰি প্ৰায় ৬৪২ নিযুত কিলোগ্ৰাম চাহ উৎপাদন কৰে। দক্ষিণ চীনৰ চাহ উৎপাদন ক্ষেত্ৰৰ পিছতে অসম পৃথিৱীৰ দ্বিতীয় বৃহৎ চাহ উৎপাদন ক্ষেত্ৰ। ভাৰতবৰ্ষৰ উচ্চ অঞ্চল যেনে— দাৰ্জিলিং, নীলগিৰি আদি অঞ্চলৰ পৰ্বতৰ ঢালত হোৱা চাহ আৰু তুলনামূলকভাৱে অসমৰ এঢলীয়া নিম্ন অঞ্চলত উৎপাদিত চাহৰ মাজত যথেষ্ট গুণগত পাৰ্থক্য দেখা যায়। পৃথিৱীৰ আন ঠাইত উৎপাদিত চাহৰ ৰঙতকৈ অসমৰ চাহৰ ৰং বেছি গাঢ়। এই চাহ সেৱনে অধিক তৃপ্তি দিয়াৰ লগতে সতেজতা আনে যাৰবাবে আন্তৰ্জাতিক বজাৰত অসমৰ চাহে এক সুকীয়া স্থান দখল কৰিছে। দক্ষিণ চীনৰ চাহ উৎপাদন ক্ষেত্ৰৰ পিছতে অসম পৃথিৱীৰ দ্বিতীয় বৃহৎ চাহ উৎপাদন ক্ষেত্ৰ।

বছৰটোত অসমৰ চাহপাত দুবাৰকৈ তোলা হয়। প্ৰথমবাৰ মাৰ্চ আৰু এপ্ৰিল মাহত আৰু দ্বিতীয়বাৰ জুন-জুলাই মাহত তোলা হয়। দ্বিতীয়বাৰ তোলা চাহৰ ৰঙ কাঢ়া আৰু অধিক সোৱাদযুক্ত হয়। আন্তৰ্জাতিক বজাৰতো এইবিধ চাহ অধিক জনপ্ৰিয়।

### ঔষধি আৰু সুগন্ধি উদ্ভিদ

অসমৰ পাহাৰীয়া অঞ্চল আৰু বনাঞ্চলত বহু ধৰণৰ ঔষধি উদ্ভিদ আছে। প্ৰায় ৩০০ প্ৰজাতিৰ শাক-বন জাতীয় উদ্ভিদ অসমত পোৱা যায়। শতকৰা ৫ ৰ পৰা ১০ ভাগ গছ-বন বাণিজ্যিকভাৱে উৎপাদন কৰা হয়। ইয়াৰ বহুতো উদ্ভিদৰ ঔষধি গুণ থকাৰ বাবে এনে উদ্ভিদৰ ওপৰত নিৰ্ভৰ কৰি অসমত উদ্ভিদভিত্তিক শিল্পোদ্যোগ গঢ়ি উঠাৰ সম্ভাৱনা অধিক।

### উদ্যান শস্য

অসমত উদ্যান শস্যক প্ৰধানকৈ তিনি ভাগত ভগাব পাৰি—

(১) **মুখ্য ফল ঃ** আনাৰস, কল, নাৰিকল, কঁঠাল আদি।

(২) **মুখ্য টেঙাজাতীয় ফল ঃ** কমলা, নেমু আদি।

(৩) **মুখ্য মছলাজাতীয় ফল ঃ** আদা, হালধি, ভোট জলকীয়া, জলকীয়া, জালুক আদি।

অসমত উৎপাদন হোৱা ফল-মূল উৎপাদনৰ পৰিমাণ ৫ নং তালিকাত উপস্থাপন কৰা হৈছে।

DAILY ASSAM

তালিকা—১

## অসমৰ জিলাসমূহত কৃষি মাটিৰ ব্যৱহাৰ (প্ৰতি '০০০ হেক্টৰত)

| ক্ৰমিক | জিলা | প্ৰকৃত খেতি মাটি | মুঠ খেতি মাটি | একাধিকবাৰ খেতি কৰা মাটি |
|---|---|---|---|---|
| ১ | কোকৰাঝাৰ | ৮৬.৬ | ১৭২.৬ | ৮৬.১ |
| ২ | ধুবুৰী | ১৩৪.৩ | ১৭৩.১ | ৩৮৭.১ |
| ৩ | গোৱালপাৰা | ৮০.৮ | ১২৫.২ | ৪৪.৫ |
| ৪ | বৰপেটা | ১৫৯.৩ | ২৫৪.৭ | ৯৫.৪ |
| ৫ | মৰিগাঁও | ৯২.০ | ১২৭.৮ | ৩৫.৮ |
| ৬ | নগাঁও | ২৩৫.৬ | ২৯৯.৩ | ৬৩৭.০ |
| ৭ | শোণিতপুৰ | ১৬৫.১ | ২৭০.৮ | ১০৫.৭ |
| ৮ | লক্ষীমপুৰ | ১০০.২ | ২২৩.২ | ১২৩.০ |
| ৯ | ধেমাজি | ৬৭.৫ | ১২১.২ | ৫৩.৭ |
| ১০ | তিনিচুকীয়া | ১০৪.৭ | ১৪৩.৫ | ৩৮.৮ |
| ১১ | ডিব্ৰুগড় | ১৩৯.৫ | ১৬৬.১ | ২৬.৬ |
| ১২ | শিৱসাগৰ | ১৩৬.৮ | ১৪৯.৯ | ১৩.০ |
| ১৩ | যোৰহাট | ১২০.২ | ১৭৪.৯ | ৫৪.০ |
| ১৪ | গোলাঘাট | ১১৯.০ | ১৮২.০ | ৬২.৩ |
| ১৫ | কাৰ্বি আংলং | ১২৬.৪ | ২০১.৭ | ৭৫.৩ |
| ১৬ | ডিমা হাচাও | ২৮.১ | ৫৪.২ | ২৬.০ |
| ১৭ | কাছাৰ | ১১৫.১ | ১৬৩.১ | ৪৭.৭ |
| ১৮ | কৰিমগঞ্জ | ৭৬.০ | ১০৪.১ | ২৮.১ |

| ক্রমিক | জিলা | প্রকৃত খেতি মাটি | মুঠ খেতি মাটি | একাধিকবাৰ খেতি কৰা মাটি |
|---|---|---|---|---|
| ১৯ | হাইলাকান্দি | ৫০.৩ | ৭৭.৩ | ২৭.০ |
| ২০ | বঙাইগাঁও | ৬৭.৬ | ১০৫.৪ | ৩৭৮.০ |
| ২১ | চিৰাং | ৪৬.৮ | ৮৮.৭ | ৪২.০ |
| ২২ | কামৰূপ (গ্ৰা) | ১৭৭.৩ | ১৮৬.৬ | ৯.৮ |
| ২৩ | কামৰূপ (ম) | ৪৩.৩ | ৫০.০ | ৬.৭ |
| ২৪ | নলবাৰী | ৬৭.৭ | ১২০.৮ | ৫৩.০ |
| ২৫ | বাগ্‌সা | ৬৬.১ | ১৩৩.৮ | ৬৭.৭ |
| ২৬ | দৰং | ১০৩.৮ | ১৪৫.৬ | ৪১.৭ |
| ২৭ | ওদালগুৰি | ৯৯.৯ | ১৫৮.৯ | ৫৯.০ |

উৎস ঃ অৰ্থনীতি আৰু পৰিসংখ্যা সঞ্চালকালয়, অসম

DAILY ASSAM

তালিকা—২

অসমত খাদ্য-শস্যৰ উৎপাদন ('০০০ টন হিচাপত)

| বছৰ | ধান | ঘেঁহু | দাইল | মুঠ খাদ্য-শস্য | তৈলজাতীয় (নাৰিকল বাদ দি) |
|---|---|---|---|---|---|
| ২০০১-০২ | ৩৮৫৪ | ৮৫ | ৬৬ | ৪০২৩ | ১৫৬ |
| ২০০২-০৩ | ৩৭৩৮ | ৭৮ | ৬০ | ৩৮৯৪ | ১৪৯ |
| ২০০৩-০৪ | ৩৮৮০ | ৭৩ | ৬৩ | ৪০৩৪ | ১৫৭ |
| ২০০৪-০৫ | ৩৪৭০ | ৬৮ | ৬১ | ৩৬১৭ | ১৪৬ |
| ২০০৫-০৬ | ৩৫৫২ | ৫৪ | ৫৬ | ৩৬৮০ | ১১৪ |
| ২০০৬-০৭ | ২৯১৬ | ৬৭ | ৫৯ | ৩০৬০ | ১৩৪ |
| ২০০৭-০৮ | ৩৩১৯ | ৭১ | ৬১ | ৩৪৬৮ | ১৩৯ |
| ২০০৮-০৯ | ৪০০৯ | ৫৫ | ৬২ | ৪১৪২ | ১৪১ |
| ২০০৯-১০ | ৪৪০৯ | ৬৫ | ৬৬ | ৪৫৫৭ | ১৪৭ |
| ২০১০-১১ | ৫০৩৩ | ৫৬ | ৭২ | ৫১৭৮ | ১৫৯ |
| ২০১১-১২ | ৮৭১৬ | ৪৯ | ৭৩ | ৪৮৫৭ | ১৫৬ |
| ২০১২-১৩ | ৫১২৮ | ৪৪ | ৮৪ | ৫২৭৯ | ১৮৭ |
| ২০১৩-১৪ | ৫১৯৩ | ৪০ | ১০৪ | ৫৪১৮ | ১৮৬ |
| ২০১৪-১৫ | ৫২২৩ | ২৯ | ১১১ | ৫৪৫৯ | ২০৬ |

উৎস ঃ অৰ্থনীতি আৰু পৰিসংখ্যা সঞ্চালকালয়; অসম

তালিকা—৩

অসমত ঋতু অনুসৰি ধানৰ উৎপাদন (কিলোগ্ৰাম/প্ৰতি হেক্টৰত)

| বছৰ | শৰৎ ঋতুৰ ধান | শীতকালৰ ধান | গ্ৰীষ্মকালৰ ধান |
|---|---|---|---|
| ২০০৪-০৫ | ৬৬৭ | ১৫৯৮ | ১৯৫৯ |
| ২০০৫-০৬ | ১০১৬ | ১৫৪৩ | ১৭৮০ |
| ২০০৬-০৭ | ৮৯৯ | ১৩২১ | ১০১৭ |
| ২০০৭-০৮ | ৯৯৯ | ১৩৮০ | ২২৬৭ |
| ২০০৮-০৯ | ১০৮৪ | ১৬৪১ | ২১৩৩ |
| ২০০৯-১০ | ৯৮২ | ১৮৯৪ | ২১৮০ |
| ২০১০-১১ | ১১৫৫ | ১৯৯৩ | ২৫৭৭ |
| ২০১১-১২ | ১২৪২ | ১৭৮৫ | ২৭৪৪ |
| ২০১২-১৩ | ১৩১৭ | ১৯৯৮ | ২৯৬৫ |
| ২০১৩-১৪ | ১৩৪০ | ২০০২ | ২৯৮১ |
| ২০১৪-১৫ | ১৪৫৪ | ২০০৫ | ২৯৪০ |

উৎস ঃ অৰ্থনীতি আৰু পৰিসংখ্যা সঞ্চালকালয়; অসম

## তালিকা—৪

### অসমৰ চাহ বাগিচাৰ সংখ্যা, চাহ খেতি এলেকা আৰু উৎপাদন (কিলোগ্ৰাম/প্ৰতি হেক্টৰত)

| বছৰ | বাগিছাৰ সংখ্যা ১০.১২ হেক্টৰতকৈ ডাঙৰ | চাহ খেতিৰ অঞ্চল ('০০০ হেক্টৰ) | মুঠ উৎপাদন ('০০০ কিঃ গ্ৰাঃ) |
|---|---|---|---|
| ২০০৭ | ৮২৫ | ৩১১.৩ | ৫১১৮৮৫ |
| ২০০৮ | ৭৬০ | ৩২১.৪ | ৪৮৭৪৯৭ |
| ২০০৯ | ৭৬০ | ৩২১.৭ | ৪৯৯৯৯৭ |
| ২০১০ | ৭৬০ | ৩২২ | ৪৮০২৮৬ |
| ২০১১ | ৭৬৫ | ৩২২ | ৫৮৯১১০ |
| ২০১২ | ৭৮৮৫৬ | ৩২২ | ৫৯০১২০ |
| ২০১৩ | ৬৯২২০ | ৩২২ | ৬২৯০৫০ |
| ২০১৪ | ৭৭৭১০ | ৩০৪ | ৬১০৯৭০ |
| ২০১৫ | ৮৩৫৬৬ | ৩১৬ | ৫২৬১৮৫ |
| ২০১৬ | ৮৫৩৪৪ | ৩০৪ | ৬৪২১৮০ |

উৎস ঃ টি বৰ্ড, ইণ্ডিয়া, ২০১৭

DAILY ASSAM

তালিকা—৫

## অসমত ফলৰ উৎপাদন ২০১২-১৩ আৰু ২০১৩-১৪
ফলৰ উৎপাদন ('০০০ মেট্ৰিক টন)

| ফল | ২০১২-১৩ | ২০১৩-১৪ |
|---|---|---|
| কল | ৮৩৭.০ | ৮৫৭.৭ |
| আনাৰস | ২৬৯.০ | ২৮৮.৬ |
| অমিতা | ১৭৫.৫ | ১৪৯.১ |
| মধুৰিআম | ১০৫.৮ | ৪৩.৮ |
| নেমু | ১২৫.৯ | ১০৩.৫ |
| লিচু | ৪৯.৬ | ৪৮.১ |
| কঁঠাল | ২২৪.২ | ১৯২.৫ |
| আম | ৫৫.৩ | ৪৪.৬ |
| কমলা | ১৯৫.৮ | ১৮৮.৮ |
| অন্যান্য | ৩৬.৮ | ৩৩.০ |
| মুঠ | ২০৭৩.৮ | ২০২৫.৪ |

উৎস ঃ পৰিসংখ্যা হাতপুথি, ২০১৪

# অসমৰ অৰ্থনৈতিক বুনিয়াদ
# (Industries of Assam)
## অসমৰ উদ্যোগ

DAILY ASSAM

### প্ৰয়োজনীয় তথ্য

- অতীজৰে পৰা অসমত উদ্যোগৰ বিকাশ কেনেদৰে হৈছে
- ৰাজ্যখন উদ্যোগৰ ক্ষেত্ৰত পিছ পৰি থকাৰ কাৰণ
- অসমত গঢ়ি উঠা উদ্যোগৰ প্ৰকাৰ
- কুটিৰ শিল্পৰ গুৰুত্ব

উৎপাদনৰ সতে জড়িত যিকোনো কাৰ্যকেই উদ্যোগ বোলা হয়। উদ্যোগৰ ক্ষেত্ৰত ভাৰতবৰ্ষৰ আন ভালেমান ৰাজ্যৰ তুলনাত অসম পিছপৰা। অসমৰ প্ৰধান উদ্যোগ চাহ আৰু খনিজ তেলৰ বাহিৰেও আন কিছুমান উদ্যোগ পোৱা যায় যিবোৰে অসমৰ অৰ্থনৈতিক বিকাশত কিছু পৰিমাণে সহায় কৰিছে। অসমত উদ্যোগ স্থাপনৰ বাবে যথেষ্ট পৰিমাণৰ বনজ, খনিজ আৰু কৃষিজাত কেঁচামাল পোৱা যায় যদিও উদ্যোগৰ ক্ষেত্ৰত ৰাজ্যখনে আশা কৰা ধৰণে আগ বাঢ়িব পৰা নাই।

অতীজৰে পৰা অসম হস্ততাঁত বস্ত্ৰ-শিল্প আৰু বাঁহ-বেতৰ সামগ্ৰী উৎপাদনৰ বাবে জনাজাত। পাট-মুগা আৰু এৰী সূতাৰে হাতেবোৱা কাপোৰ, কাঁহ-পিতলৰ বাচন আৰু শোভন সামগ্ৰী, হাতী দাঁতেৰে বনোৱা সামগ্ৰী আৰু বাঁহ-বেতৰ কুটীৰ শিল্পজাত সামগ্ৰীয়ে সদায় প্ৰশংসা লাভ কৰি আহিছে।

খাৰুৱা তেল উৎপাদনত প্ৰথমে (১৯০১ চনত ডিগবৈত কৰা খনন), চাহ উদ্যোগত প্ৰথম (১৮৩৩ চনত পূৰ্বৰ লক্ষীমপুৰ জিলাত) আৰু স্বাধীনতাৰ আগতে পোনপ্ৰথমবাৰৰ বাবে প্লাইউড্ উৎপাদন কৰি উদ্যোগ জগতত ভাৰতবৰ্ষৰ ভিতৰতে অসমে অগ্ৰণী ভূমিকা গ্ৰহণ কৰিছে যদিও নানা কাৰণত পৰৱৰ্তী সময়ত ৰাজ্যখনে উদ্যোগ স্থাপন প্ৰতিযোগিতাত পিছ পৰি ৰৈছে। ইয়াৰ কাৰণবোৰ বিশ্লেষণ কৰিলে দেখা যায়—

(১) অসম তথা সমগ্ৰ উত্তৰ-পূব ভাৰত (পূৰ্বৰ সাতখন ৰাজ্য) দেশখনৰ আন অঞ্চলৰ পৰা যথেষ্ট দূৰত অৱস্থিত। বিশেষকৈ শিলিগুৰি অঞ্চলৰ কেৱল

২১-৪০ কিলোমিটাৰ ঠেক স্থলভাগে দেশখনৰ বাকী অংশৰ লগত স্থল আৰু ৰে'লপথেৰে যোগাযোগত অসুবিধাৰ সৃষ্টি কৰিছে। সেইবাবে কেঁচামাল আৰু উৎপাদিত সামগ্ৰী অনা-নিয়া খৰচ বেছি হয় আৰু ফলস্বৰূপে অসম তথা সমগ্ৰ উত্তৰ-পূৰ্বাঞ্চল উদ্যোগৰ ক্ষেত্ৰত পিছ পৰি ৰৈছে।

(২) অসম তথা উত্তৰ পূৰ্বাঞ্চল ম্যানমাৰ, চীন, ভূটান, বাংলাদেশ আদি বিদেশী ৰাষ্ট্ৰই আগুৰি আছে। এই আটাইবোৰ দেশৰ লগত ভাৰতবৰ্ষৰ সম্পৰ্ক বৰ সুবিধাজনক নহয়; যাৰ বাবে দেশ-বিদেশৰ বৃহৎ উদ্যোগপতিয়ে অসমত উদ্যোগ স্থাপনত বিনিয়োগৰ বাবে আগ বাঢ়ি আহিবলৈ সংকোচ কৰে।

(৩) দূৰত্বৰ বাবে কিছুমান কেঁচা সামগ্ৰী অসমলৈ অনা আৰু অসমত উৎপাদিত সামগ্ৰী ভাৰতৰ ডাঙৰ ডাঙৰ চহৰবোৰত বিক্ৰী কৰাটো অধিক ব্যয় সাপেক্ষ যাৰ বাবে অসমত উৎপাদিত সামগ্ৰীৰ পৰা উচিত মূল্য পোৱাত বাধাৰ সৃষ্টি হৈছে।

(৪) উদ্যোগৰ বাবে প্ৰয়োজনীয় যন্ত্ৰ-পাতি, বিশেষ কিছুমান কেঁচামাল আৰু নিয়মীয়া বিদ্যুৎ তথা আন শক্তি উৎসৰ অভাৱৰ বাবে অসমত শিল্পদ্যোগ গঢ়ি উঠাত বাধাৰ সৃষ্টি হৈছে।

(৫) বৃহৎ তথা মজলীয়া শিল্পদ্যোগ গঢ়ি তোলাৰ বাবে প্ৰয়োজনীয় বৃহৎ পৰিমাণৰ ধনৰ যোগান নোপোৱাৰ বাবেও কিছুমান উদ্যোগ গঢ়ি উঠা নাই।

(৬) অসমৰ লোকসকল প্ৰধানকৈ কৃষিৰ ওপৰত নিৰ্ভৰশীল। উদ্যোগৰ বাবে প্ৰয়োজনীয় অৰ্হতা আৰু উদ্যোগ গঢ়াৰ সাহস তথা মানসিকতাৰ অভাৱেও ৰাজ্যখনক শিল্পত পিছপৰাই ৰাখিছে।

(৭) চৰকাৰী নীতি আসোঁৱাহ আৰু উদ্যোগ গঢ়াৰ বাবে যুৱ প্ৰজন্মক পৰিয়াল তথা সমাজে যি উৎসাহ বা সামাজিক স্বীকৃতি দিব লাগে তেনে উৎসাহৰ অভাৱতো উদ্যোগ গঢ়িবলৈ আগ বাঢ়ি অহা লোকৰ সংখ্যা এতিয়াও অতি সীমিত। অধিকাংশ যুৱক-যুৱতীয়েই চাকৰিমুখী হোৱা দেখা যায়।

অসমত উদ্যোগ স্থাপনত উল্লিখিত সমস্যাবোৰ আছে যদিও প্ৰতিখন জিলাতে প্ৰতি বছৰে ক্ষুদ্ৰ আৰু মজলীয়া খণ্ডৰ উদ্যোগ পঞ্জীয়নভুক্ত হৈ থকা দেখা গৈছে (তালিকা ১)। মন কৰিবলগীয়া কথা হ'ল ২০১১-১২ চনৰ তুলনাত ২০১৩-১৪ চনলৈ পঞ্জীয়নভুক্ত উদ্যোগ যিমান বৃদ্ধি পাইছে তাৰ তুলনাত উক্ত সময়ছোৱাত ৰাজ্যখনত উদ্যোগত কৰ্মসংস্থাপনৰ বৃদ্ধি পোৱা নাই। বৰং কমাহে পৰিলক্ষিত হৈছে। এই তথ্যই প্ৰমাণ কৰে যে যিবোৰ নতুন উদ্যোগ পঞ্জীয়নভুক্ত হৈছে সেইবোৰত কৰ্মসংস্থাপনৰ সুবিধা অতি সীমিত। ৰাজ্যখনত ২০১৫ চনত মুঠ ৫৭৯৯ টা পঞ্জীয়নভুক্ত উদ্যোগ থকাৰ তথ্য শিল্প আৰু বাণিজ্য সচিবালয়ে প্ৰকাশ কৰিছে যিবোৰ উদ্যোগত মুঠ ২,১৯,৯০৩ জন লোকে কৰ্মসংস্থান লাভ কৰিছে (তালিকা ২)। এনে পঞ্জীয়নভুক্ত উদ্যোগৰ সংখ্যা কামৰূপ মহানগৰ আৰু কামৰূপ জিলা মিলি ১৫০৫ টাৰ বিপৰীতে ধেমাজি জিলাত পঞ্জীয়নভুক্ত উদ্যোগ কেৱল ৮ টাহে। উদ্যোগখণ্ডত নিয়োজিত লোকসকলৰ প্ৰায় চাৰিভাগৰ এভাগ লোক কামৰূপ (মহানগৰসহ) জিলাৰ। বিভিন্ন জিলাত থকা উদ্যোগৰ তথ্যই প্ৰমাণ কৰে যে উদ্যোগ স্থাপনত ৰাজ্যখনত বৈষম্য যথেষ্ট। সামগ্ৰিকভাৱে ৰাজ্যখনত উদ্যোগখণ্ডৰ অনগ্ৰসৰতা দূৰ কৰাৰ বাবে এই বৈষম্য দূৰ কৰা প্ৰয়োজন।

DAILY ASSAM



তালিকা—১

## অসমত পঞ্জীয়নভুক্ত হোৱা ক্ষুদ্ৰ, সৰু আৰু মজলীয়া উদ্যোগৰ সংখ্যা আৰু উদ্যোগ কৰ্মীৰ সংখ্যা

| ক্ৰমিক নং | জিলা | পঞ্জীয়নভুক্ত উদ্যোগৰ সংখ্যা | | | উদ্যোগ কৰ্মীৰ সংখ্যা | | |
|---|---|---|---|---|---|---|---|
| | | ২০১১-১২ | ২০১২-১৩ | ২০১৩-১৪ | ২০১১-১২ | ২০১২-১৩ | ২০১৩-১৪ |
| ১ | কোকৰাঝাৰ | ১০ | ১৩ | ৫ | ৭২ | ১০৬ | ২৫ |
| ২ | ধুবুৰী | ৩৫ | ৫৬ | ৮৩ | ২৫১ | ৩১৪ | ৪১৪ |
| ৩ | গোৱালপাৰা | ৩৪ | ২৬ | ৮৯ | ১৯৮ | ১৩৯ | ৪৯৪ |
| ৪ | বঙাইগাঁও | ৫৩ | ৪৮ | ৩৬ | ৩৯৬ | ২৫৮ | ২২২ |
| ৫ | বৰপেটা | ৩৩ | ৫৪ | ৫৯ | ২৪০ | ৫৫৫ | ৩৭১ |
| ৬ | কামৰূপ (ম+গ্ৰা) | ৩১৮ | ২৯৭ | ২৮৩ | ৪২৭৪ | ৩০৫১ | ২৩৮১ |
| ৭ | নলবাৰী | ৭০ | ৮৯ | ৭৮ | ৩৯৯ | ৪৩৯ | ৩৭৫ |
| ৮ | দৰং | ৫৭ | ৪৩ | ১০৭ | ২৫৩ | ৩১০ | ৪৫২ |
| ৯ | মৰিগাঁও | ২৫ | ৩৭ | ২২ | ১৪৩ | ১৮৯ | ১৭১ |
| ১০ | নগাঁও | ৭৪ | ১২৩ | ১৮০ | ৬০৩ | ৭১৮ | ১২৮৬ |
| ১১ | শোণিতপুৰ | ৮৯ | ৫৪ | ৮৯ | ৬০৮ | ৩১৯ | ৫৩২ |
| ১২ | লক্ষীমপুৰ | ১৮ | ২৩ | ৫৩ | ৮৭ | ১৪১ | ৪৫৭ |
| ১৩ | ধেমাজি | ৪১ | ২৭ | ৩৯ | ২০৯ | ১০৪ | ১৫৬ |
| ১৪ | তিনিচুকীয়া | ৪৭ | ৮১ | ৯৮ | ৩৩৬ | ৪৭৩ | ৬৪৯ |
| ১৫ | ডিব্ৰুগড় | ৫৮ | ১১৮ | ১৫৪ | ৬২৫ | ৪৭০ | ১৭০৫ |
| ১৬ | শিৱসাগৰ | ৩৫ | ৮১ | ১০০ | ২৬৪৬ | ৭৬০ | ৬৩২ |
| ১৭ | যোৰহাট | ৬৯ | ৮২ | ৮৬ | ৯৮৫ | ৫৬৫ | ৪৭১ |
| ১৮ | গোলাঘাট | ৬২ | ৪২ | ৬৩ | ৩৯০ | ২৪৫ | ৬০৯ |

তালিকা—১

অসমত পঞ্জীয়নভুক্ত হোৱা ক্ষুদ্ৰ, সৰু আৰু মজলীয়া উদ্যোগৰ সংখ্যা আৰু উদ্যোগ কৰ্মীৰ সংখ্যা

| ক্ৰমিক নং | জিলা | পঞ্জীয়নভুক্ত উদ্যোগৰ সংখ্যা | | | উদ্যোগ কৰ্মীৰ সংখ্যা | | |
|---|---|---|---|---|---|---|---|
| | | ২০১১-১২ | ২০১২-১৩ | ২০১৩-১৪ | ২০১১-১২ | ২০১২-১৩ | ২০১৩-১৪ |
| ১৯ | কাৰ্বি আংলং | ৬ | ৬ | ১৫ | ৬৯ | ৭৬ | ১৫৪ |
| ২০ | ডিমা হাচাও | ২ | ৩ | ২ | ২১ | ৩৬ | ১৬ |
| ২১ | কাছাৰ | ৬২ | ৫০ | ৭২ | ৫২৪ | ১৮০২ | ৪৯৪ |
| ২২ | কৰিমগঞ্জ | ২৩ | ২৫ | ২৪ | ১৩২ | ১৩৩ | ১৮৪ |
| ২৩ | হাইলাকান্দি | ২৩ | ৩৭ | ৪৭ | ১০০ | ১৫৫ | ২৬৩ |
| ২৪ | চিৰাং | ২২ | ১১ | ৪১ | ২০৮ | ৮০ | ২৪৬ |
| ২৫ | বাগ্‌সা | ৭ | ১১ | ৩২ | ৪৪ | ১৩৪ | ১৬৬ |
| ২৬ | ওদালগুৰি | ১১ | ১৪ | ৩ | ৭৩ | ৯৯ | ২৮ |
| ২৭ | মুঠ | **১২৮৭** | **১৪৫১** | **১৮৬০** | **১৩৮৮৬** | **১১৬৭১** | **১২৯৭১** |

উৎস ঃ শিল্প আৰু বাণিজ্য সচিবালয়, অসম

## উদ্যোগৰ প্ৰকাৰ (Types of Industries)

উদ্যোগত ব্যৱহৃত কেঁচা সামগ্ৰীৰ ওপৰত নিৰ্ভৰ কৰি অসমৰ উদ্যোগসমূহক প্ৰধানকৈ তিনিটা ভাগত বিভক্ত কৰা হৈছে।

(১) কৃষিভিত্তিক উদ্যোগ (Agro based industries)

(২) খনিভিত্তিক উদ্যোগ (Mineral based industries)

(৩) বনজ সামগ্ৰীভিত্তিক উদ্যোগ (Forest based industries)

## কৃষিভিত্তিক উদ্যোগ (Agro based industries)

কৃষিভিত্তিক উদ্যোগ আকৌ দুটা ভাগত ভাগ কৰিব পাৰি।

(ক) চাহ, কুঁহিয়াৰ, তৈলজাত, দুগ্ধজাত, ধান আৰু ঘেঁহু আৰু ফল-মূল আদি খাদ্য-সামগ্ৰীৰ ওপৰত গঢ়ি উঠা সৰু-ডাঙৰ উদ্যোগ, আৰু

(খ) মৰাপাট, কঁপাহ, পাট-মুগা-এৰী আদি আঁহজাতীয় কৃষি সামগ্ৰীৰ ওপৰত নিৰ্ভৰ কৰি গঢ়ি উঠা উদ্যোগ।

কৃষিভিত্তিক, খনিভিত্তিক আৰু বনজ সামগ্ৰীভিত্তিক উদ্যোগ, এই তিনি বিধেই অসমৰ মূল উদ্যোগ

DAILY ASSAM



তালিকা—২

**অসমৰ জিলাসমূহত থকা পঞ্জীয়নভুক্ত উদ্যোগ আৰু উদ্যোগ কৰ্মীৰ সংখ্যা (২০১৫)**

| ক্ৰমিক নং | জিলা | উদ্যোগৰ সংখ্যা | উদ্যোগ কৰ্মীৰ সংখ্যা |
|---|---|---|---|
| ১ | কোকৰাঝাৰ | ৪২ | ১৮১২ |
| ২ | ধুবুৰী | ৯৫ | ২৭৬২ |
| ৩ | গোৱালপাৰা | ২৩ | ৫৯৮ |
| ৪ | বৰপেটা | ৭১ | ২০৬৯ |
| ৫ | মৰিগাঁও | ৬৪ | ২৩৫২ |
| ৬ | নগাঁও | ৩৭৩ | ১৬৯২০ |
| ৭ | শোণিতপুৰ | ৪৭৫ | ১৯৫৬৭ |
| ৮ | লক্ষীমপুৰ | ৭০ | ২১৪৮ |
| ৯ | ধেমাজি | ৮ | ১২৪ |
| ১০ | তিনিচুকীয়া | ৬৪১ | ২৫১৯২ |
| ১১ | ডিব্ৰুগড় | ৬৯৫ | ২৮৪৯৫ |
| ১২ | শিৱসাগৰ | ৩৮৮ | ১৩৬৩৯ |
| ১৩ | যোৰহাট | ৩৪৮ | ৯৪৮৩ |
| ১৪ | গোলাঘাট | ৩১৭ | ৮১৮৫ |
| ১৫ | কাৰ্বি আংলং | ৪০ | ১২৫৪ |
| ১৬ | ডিমা হাচাও | ২৭ | ৫৯১ |
| ১৭ | কাছাৰ | ৩৪৩ | ১১৮০৮ |
| ১৮ | কৰিমগঞ্জ | ১২১ | ৩৯৫০ |
| ১৯ | হাইলাকান্দি | ৫০ | ৩৪৫০ |

| ক্ৰমিক নং | জিলা | উদ্যোগৰ সংখ্যা | উদ্যোগ কৰ্মীৰ সংখ্যা |
|---|---|---|---|
| ২০ | বঙাইগাঁও | ৬৭ | ৫৫৫৯ |
| ২১ | চিৰাং | ২১ | ১১৩৯ |
| ২২ | কামৰূপ (ম+গ্ৰা) | ১৫০৫ | ৫০,৬৭৩ |
| ২৩ | নলবাৰী | ৩৩ | ১০৮৬ |
| ২৪ | বাগ্‌সা | ১৬ | ১০৪৭ |
| ২৫ | দৰং | ৯২ | ২৭৭৩ |
| ২৬ | ওদালগুৰি | ৭৪ | ৩২২৭ |
| ২৭ | মুঠ | ৫৭৯৯ | ২,১৯,৯০৩ |

উৎস ঃ মুখ্য উদ্যোগ পৰিদৰ্শক, অসম

অসমত গঢ়ি উঠা খনিভিত্তিক উদ্যোগৰ ভিতৰত তেল শোধনাগাৰ, পেট্ৰ'কেমিকেল, চিমেন্ট আৰু ৰন্ধন গেছ চিলিণ্ডাৰত ভৰোৱা (LPG Bottling Plant) উদ্যোগেই প্ৰধান।

বনজ সামগ্ৰীৰ ওপৰত গঢ়ি উঠা উদ্যোগৰ ভিতৰত কাগজ, কাগজৰ মণ্ড, প্লাইউড, ফাৰ্ণিচাৰ আদি আচবাব নিৰ্মাণ উদ্যোগেই প্ৰধান।

## অসমৰ প্ৰধান উদ্যোগসমূহ (Major industries of Assam)

চাহ উদ্যোগ (Tea industry) ঃ ৰোপণ কৃষি পদ্ধতিৰে উৎপাদন কৰা চাহ গছৰ পাতৰ ওপৰতে অসমৰ চাহ উদ্যোগ প্ৰতিষ্ঠিত। চাহ উদ্যোগ অসমৰ সৰ্বাধিক বিদেশী মুদ্ৰা আয় কৰা উদ্যোগ। ভাৰতবৰ্ষৰ শতকৰা ৫৪ ভাগ চাহ অসমত উৎপাদন হয়। অসমৰ চাহ উদ্যোগত ৬ লাখতকৈও অধিক লোকে কৰ্মসংস্থান লাভ কৰিছে; ইয়াৰে ২.৭ লাখ অৰ্থাৎ প্ৰায় আধা সংখ্যক মহিলা। বিগত কিছু বছৰৰ ভিতৰত অসমত কেইবা হাজাৰো ক্ষুদ্ৰ চাহ বাগান গঢ়ি উঠিছে যাৰ পৰা অসমৰ বহুতো লোক আৰ্থিকভাৱে লাভৱান হৈছে। অসমৰ পঞ্জীয়নভুক্ত মুঠ উদ্যোগৰ ৩০ শতাংশ উদ্যোগতে চাহ উৎপাদন কৰা হয়। অসমৰ চাহ উদ্যোগত অতীজৰে পৰা 'ব্লেক টি' (black tea) উৎপাদন কৰা হয় যদিও ১৯৮০ চনৰ পৰা 'গ্ৰীণ টি' (Green tea) উৎপাদন আৰু ৰপ্তানি কৰি অধিক বিদেশী মুদ্ৰা উপাৰ্জন কৰিব পৰা হৈছে।

> চাহ উদ্যোগ অসমৰ সৰ্বাধিক বিদেশী মুদ্ৰা উপাৰ্জন কৰা উদ্যোগ। ভাৰতবৰ্ষৰ মুঠ চাহ উৎপাদনৰ শতকৰা ৫৪ ভাগ অসমতেই উৎপাদিত হয়।

খনিভিত্তিক উদ্যোগৰ ভিতৰত তেল

শোধনাগাৰ আৰু পেট্ৰ'কেমিকেল উদ্যোগেই প্ৰধান। পেট্ৰ'কেমিকেল উদ্যোগৰ খাৰুৱা তেল শোধন কৰাৰ লগতে খাৰুৱা তেলৰ পৰা পোৱা আন আন অপজাত সামগ্ৰীভিত্তিক উদ্যোগো স্থাপিত হৈছে যাৰ ভিতৰত প্লাষ্টিক (পলিমাৰ) উদ্যোগেই প্ৰধান। 'অসম পেট্ৰ'কেমিকেল লিমিটেড-এ উজনি অসমৰ প্ৰাকৃতিক গেছ ব্যৱহাৰ কৰি সাৰ কাৰখানা আৰু বিদ্যুৎ শক্তি উৎপাদন কৰা উদ্যোগ গঠন কৰিবলৈ সক্ষম হয়। প্ৰাকৃতিক গেছৰ অপচয় ৰোধ কৰা বাবে ১৯৭১ চনত চৰকাৰী খণ্ডৰ অসম ঔদ্যোগিক উন্নয়ন নিগম (Assam Industrial Development Corporation চমুকৈ AIDC) গঠন কৰা হয় যাৰ জৰিয়তে দেশৰ ভিতৰত পোনপ্ৰথমে গেছভিত্তিক পেট্ৰ'কেমিকেল্ উৎপাদন কাৰখানাও স্থাপন কৰা হয়।

গুৱাহাটী পেট্ৰ'কেমিকেল্ প্ৰতিষ্ঠান চৰকাৰী খণ্ডৰ প্ৰথম খাৰুৱা তেলভিত্তিক উদ্যোগ। এই উদ্যোগৰ মূল উদ্যোগ তেল শোধনাগাৰ। তদুপৰি খাৰুৱা তেল শোধন কৰোঁতে পোৱা ভালেমান উপজাত সামগ্ৰী ব্যৱহাৰ কৰি কিছুমান ক্ষুদ্ৰ উদ্যোগ ৰাজ্যখনত স্থাপন কৰা হৈছে। গুৱাহাটী পেট্ৰ'কেমিকেল্ উদ্যোগৰ প্ৰধান উৎপাদিত সামগ্ৰীসমূহ হ'ল— নেফ্থা (Naptha), ৰন্ধন গেছ (LPG), মটৰ স্পিৰিট (Motor spirit), পেট্ৰ'লিয়াম ক'ক (Petroleum coke), কেৰাচিন(Kerosene) আৰু হাই স্পিড্ ডিজেল (High speed Diesel)।

বঙাইগাঁও শোধনাগাৰ আৰু পেট্ৰ'কেমিকেল্ লিমিটেড ১৯৭৪ চনৰ ২০ ফেব্ৰুৱাৰীত ভাৰত চৰকাৰে স্থাপন কৰে। অৱশ্যে ২০০১ চনত এই উদ্যোগ ভাৰতীয় তেল নিগমৰ অধীনলৈ নিয়া হয়। দেশত বৰ্ধিত চাহিদাৰ বাবে ক্ৰমে ইংলেণ্ড আৰু নেদাৰলেণ্ডৰ সহযোগত ১৯৮৯ চনত তেল নিগমে এটা বৃহৎ মিথানল (Methanol) উৎপাদন গোট আৰু ১৯৯৮ চনত এটা ফৰ্মেলডিহাইড (Formaldehyde) উৎপাদন গোট স্থাপন কৰে। বঙাইগাঁও পেট্ৰ'কেমিকেল্ উদ্যোগৰ উৎপাদিত সামগ্ৰী পশ্চিমবংগ, বিহাৰ, দিল্লী, হাৰিয়ানা উত্তৰাঞ্চল আনকি চুবুৰীয়া ৰাষ্ট্ৰ নেপাল আৰু ভূটানলৈও ৰপ্তানি কৰা হয়।

ডিগবৈৰ তেল শোধনাগাৰ ১৯০১ চনত স্থাপন হয় যিটো ভাৰতবৰ্ষৰ আটাইতকৈ পুৰণি শোধনাগাৰ। আৰম্ভণিতে এটা শোধনাগাৰ অসম তেল কোম্পানীৰ অধীনত আছিল যদিও পিছলৈ ভাৰতীয় পেট্ৰ'কেমিকেল্ উদ্যোগৰ অংগ হৈ পৰে আৰু ১৯৮১ চনত ডিগবৈ পেট্ৰ'কেমিকেল্ গোট ভাৰতীয় তেল নিগম (Indian Oil Corporation Limited)ৰ অধীনলৈ নিয়া হয়। ডিগবৈ পেট্ৰ'কেমিকেল্ উদ্যোগৰ উৎপাদিত সামগ্ৰীসমূহ হ'ল নেফ্থা (Naptha), হাই স্পিড্ ডিজেল (High speed Diesel), তাৰ্পিন তেল (Turpine oil), ফাৰনেছ তেল (Furnace oil) জুট বেচ্ছিং তেল (Jute batching oil) আৰু মটৰ স্পিৰিট (Motor spirit)। ডিগবৈ পেট্ৰ'কেমিকেল্ উদ্যোগৰ শোধিত মম অতি উচ্চমানৰ।

খনিভিত্তিক আন আন উদ্যোগৰ ভিতৰত নামৰূপত অৱস্থিত তিনিটা ডাঙৰ উদ্যোগ হ'ল ব্ৰহ্মপুত্ৰ উপত্যকা সাৰ নিগম(Brahmaputra Valley Fertilizer Corporation Limited), অসম পেট্ৰ'কেমিকেলচ্ নিগম (Assam Petrochemicals Limited) আৰু নামৰূপ তাপ বিদ্যুৎ কেন্দ্ৰ

(Namrup Thermal Power Station)। এই উদ্যোগসমূহ নামৰূপত স্থাপন হোৱাৰ মূল কাৰণ হ'ল ১৯৬০ চনত প্ৰাকৃতিক গেছভিত্তিক প্ৰথমটো সাৰ কাৰখানা স্থাপন যিয়ে নামৰূপত এক ঔদ্যোগিক পৰিৱেশ গঢ়ি তুলিছে। ফলস্বৰূপে এই পৰিৱেশে বাকীকেইটা উদ্যোগ গঢ়ি উঠাত সহায় কৰিছে।

অসমত ক্ষুদ্ৰ উদ্যোগ প্ৰতিষ্ঠানৰ বাবে মুঠ ৬৪টা ঔদ্যোগিক অঞ্চল (Commercial Estate) আৰু ৫০ খন উদ্যোগ পাম (Industrial Estate) গঢ়ি তোলা হৈছে। ৰাজ্যখনত তিনিটা উদ্যোগ বিকাশ কেন্দ্ৰ (Industrial Growth Centre) গঢ়ি উঠিছে। শোণিতপুৰ জিলাৰ বালিপাৰা, গোৱালপাৰা জিলাৰ মাটিয়া আৰু কামৰূপ জিলাৰ ছয়গাঁও-পাটগাঁও-জামবাৰী এই তিনিটা উদ্যোগ বিকাশ কেন্দ্ৰ স্থাপন আৰু ১১ টা ঔদ্যোগিক আন্তঃগাঁথনি উন্নয়ন কেন্দ্ৰ (Industrial Intrastructure Development Centre) স্থাপনৰ জৰিয়তে ৰাজ্যখনত উদ্যোগ বিকাশৰ প্ৰচেষ্টা চলোৱা হৈছে। লোকপ্ৰিয় গোপীনাথ বৰদলৈ আন্তৰ্জাতিক বিমান বন্দৰৰ সমীপত স্থাপন কৰা ছফট্‌ৱেৰ টেকন'লজি পাৰ্ক (Software Technology Park) অসমৰ কম্পিউটাৰ আৰু ছফট্‌ৱেৰ উদ্যোগৰ এক বলিষ্ঠ পদক্ষেপ বুলিব পাৰি। গুৱাহাটীৰ আই আই টি (IIT Guwahati)ৰ দ্বাৰা নিয়ন্ত্ৰিত বায়'টেক্‌ন'লজি পাৰ্ক (Bio-Technology Park), উত্তৰ গুৱাহাটীত ৫৮ টা গোট সামৰি ৬৮.১ একৰ মাটিত স্থাপন কৰা এক্সপৰ্ট প্ৰম'শ্বন ইণ্ডাষ্ট্ৰিয়েল পাৰ্ক (Export Promotion Industrial Park), নলবাৰী জিলাৰ টিহুত স্থাপন কৰিবলৈ লোৱা নৰ্থ-ইষ্ট মেগা ফুড্ পাৰ্ক (North-East Mega Food Park), ছয়গাঁৱৰ ফুড্ প্ৰচেচিং পাৰ্ক (Food Processing Park), বেম্ব' পাৰ্ক (Bamboo Park), গেছ ক্ৰেকাৰ উদ্যোগৰ উপজাত সামগ্ৰীৰে নিৰ্মাণ কৰা ডিব্ৰুগড়ৰ লেপেট্‌কটাৰ প্লাষ্টিক পাৰ্ক (Plastic Park), নগাঁও জিলাৰ খিঙত পতা জুট্ পাৰ্ক (Jute Park) আৰু অসমৰ চিলাপথাৰ, দলগাঁও, ধুবুৰী, চামগুৰি আৰু তিনিচুকীয়াৰ পাৰৈত স্থাপন কৰা এগ্ৰ' ফুড্ প্ৰচেচিং (Agro food processing) গোটসমূহৰ বাবে অসমে উদ্যোগ ক্ষেত্ৰত অনতি পলমে কিছু আগ বাঢ়িব বুলি ভাবিব পাৰি। অসমৰ মাজেৰে চুবুৰীয়া দেশ বাংলাদেশ আৰু ভূটানৰ লগত শিল্প আৰু কেঁচামালৰ আমদানি-ৰপ্তানিত বিশেষ গুৰুত্ব দিয়া হৈছে। সেইবাবে কৰিমগঞ্জ জিলাৰ সুঁতাৰবান্দি, ধুবুৰীৰ মানকাছৰ আৰু গোলোকগঞ্জ আৰু বাগ্‌সা জিলাৰ দৰঙাত বাণিজ্যিক কেন্দ্ৰ স্থাপন কৰা হৈছে।

### বনজ সামগ্ৰীভিত্তিক উদ্যোগ (Forest based industries) ঃ

অসমত বনজ সামগ্ৰীৰ ওপৰত ভিত্তি কৰি গঢ়ি উঠা মজলীয়া ধৰণৰ উদ্যোগৰ ভিতৰত কাগজ আৰু প্লাইউড্‌ৰ উদ্যোগ সমূহেই প্ৰধান। অসমত বাঁহ ব্যৱহাৰ কৰি গঢ়ি তোলা দুটা ডাঙৰ কাগজ উদ্যোগৰ এটা হ'ল **'নগাঁও কাগজ কল'** যিটো বৰ্তমান মৰিগাঁও জিলাত আৰু আনটো হ'ল হাইলাকান্দি জিলাৰ পাঁচগ্ৰাম কাগজ কল। এই দুয়োটাই চৰকাৰী খণ্ডৰ উদ্যোগ। দুয়োটা কাগজ কলত বৰ্তমান উৎপাদন বন্ধ হৈ আছে। ১৫ কোটি টকা ব্যয়েৰে চতুৰ্থ পঞ্চবাৰ্ষিক পৰিকল্পনাৰ সময়ছোৱাত যোগীঘোপাত পতা **'অশোক কাগজ কল'**ৰ প্ৰচুৰ লোকচান হোৱাত বৰ্তমান এই কলটোৰ উৎপাদন বন্ধ হৈ আছে। আন এটা বনভিত্তিক ক্ষুদ্ৰ কাগজ কল আছে কামৰূপ জিলাৰ আমিনগাঁৱত।

DAILY ASSAM



প্লাইউড্ কাৰখানাৰ বাবে অসমৰ হাবিৰ কাঠেই ব্যৱহাৰ কৰা হয়। অসমৰ প্লাইউড্ প্ৰধানকৈ ব্যৱহাৰ হয় চাহ বাকচ বনোৱাত। অসমে ভাৰতবৰ্ষৰ প্ৰায় ৬৫ ভাগ প্লাইউড্ প্ৰস্তুত কৰে। বনাঞ্চলৰ ক্ষতিৰ প্ৰতি লক্ষ্য ৰাখি প্লাইউড্ উৎপাদন কমোৱাৰ বাবে চৰকাৰে যথেষ্ট ব্যৱস্থা হাতত লৈছে। অসমৰ প্ৰায়বোৰ প্লাইউড্ শিল্পদ্যোগ মাৰ্ঘেৰিটা আৰু মৰিয়নিত অৱস্থিত। ১৯৮৪ চনত অসমত ৫২ টা প্লাইউড্ উদ্যোগ আছিল তাৰে ১৩ টা বৃহৎ আৰু বাকীবোৰ মজলীয়া উদ্যোগ। গছ কটা কমোৱাৰ বাবে ইয়াৰে কিছুমান উদ্যোগ বন্ধ কৰা হয় যাৰ বাবে এই উদ্যোগৰ সংখ্যা ২০০১ চনত ৪৬ টা হয়হি। এই উদ্যোগসমূহত প্ৰায় ৫৬০০ জন লোক পোনপটীয়াকৈ আৰু প্ৰায় একলাখ লোকে আওপকীয়াকৈ কৰ্মসংস্থান লাভ কৰিছে।

### কুটীৰ শিল্প (Cottage industries) ঃ

স্বৰাজোত্তৰ কালত ১৯৫৪-৫৫ চনত চলোৱা এক সমীক্ষাত হস্ততাঁত, বস্ত্ৰ, কাহঁ-পিতলৰ বাচন-বৰ্তন, কমাৰশাল, মৃৎ শিল্পকে ধৰি মুঠ ৭২টা কুটীৰ শিল্প উদ্যোগ অসমত থকাৰ তথ্য পোৱা যায়। উল্লিখিত কুটীৰ শিল্পসমূহৰ উপৰিও বৰ্তমান অসমীয়া গহনা, ফটকা বনোৱা, বাঁহ-বেত আৰু কাঠৰ বিভিন্ন সামগ্ৰী বনোৱা, থলুৱাভাৱে ৰেচম সূতা আৰু কাপোৰ তৈয়াৰ কৰা, মৰাপাটৰ আঁহ, পানী মেটেকা আদি ব্যৱহাৰ কৰি বিভিন্ন বস্তু তৈয়াৰ কৰা, বিভিন্ন উদ্ভিদৰ পৰা আহৰণ কৰা ৰঙেৰে ৰঙীণ সূতা প্ৰস্তুত কৰা আদি বিভিন্ন কুটীৰ শিল্পদ্যোগ অসমত গঢ়ি উঠিছে। কুটীৰ শিল্পদ্যোগসমূহৰ ভিতৰত ৰেচম উদ্যোগসমূহে মুখ্য স্থান দখল কৰিছে। এড়ী আৰু মুগা সূতাৰ কাপোৰে অতীজৰে পৰা অসমত বিশেষ গুৰুত্ব পাই আহিছে। মুগা সূতাৰ কাপোৰে বৰ্তমান বিশ্ব বজাৰত এক বিশেষ স্থান লাভ কৰিবলৈ সক্ষম হৈছে। বৰ্তমান অসমত প্ৰায় ৭ লাখ তাঁতশালত বিভিন্ন হাতেবোৱা কাপোৰ উৎপাদন কৰা হয়। পাট-মুগাৰ কাপোৰ উৎপাদনত শুৱালকুছি যেনেদৰে প্ৰখ্যাত এৰী সূতা আৰু এড়ী চাদৰ উৎপাদনত পলাশবাৰী-ছয়গাঁও বিখ্যাত, বিভিন্ন ধৰণৰ কাঁহ-পিতলৰ বাচন-বৰ্ত্তন আৰু বিভিন্ন শোভন সামগ্ৰী বনোৱাৰ ক্ষেত্ৰত হাজো-সৰ্থেবাৰীৰ কুটীৰ শিল্পদ্যোগসমূহ প্ৰখ্যাত।

কৃষিভিত্তিক কুটীৰ শিল্পদ্যোগো অসমত বহুত আছে। ধান বনা, তেলপেৰা, মছলা গুড়ি কৰা, কুঁহিয়াৰ পেৰা, কলগছৰ আঁহ উলিওৱা, আচাৰ বনোৱা, আটা-ময়দা তৈয়াৰ কৰা আদি অন্যতম কৃষিভিত্তিক কুটীৰ শিল্পদ্যোগ।

অসমত বনজ সামগ্ৰীভিত্তিক কুটীৰ শিল্প উদ্যোগৰ ভিতৰত আছে বাঁহ-বেতেৰে বনোৱা ঘৰুৱা আচবাব, দুৱাৰ-খিৰিকী আৰু শোভন সামগ্ৰী, কাঠেৰে বনোৱা আচবাব আৰু শোভন সামগ্ৰী, উদ্ভিদৰ পৰা সংগৃহীত সামগ্ৰীৰ পৰা প্ৰস্তুত কৰা তেল আৰু কিছুমান বনৌষধি বনোৱা ঘৰুৱা উদ্যোগ।

### চলন্ত শিল্পদ্যোগ (Footloose industries) ঃ

চলন্ত উদ্যোগসমূহ এক বিশেষ স্থানতহে হ'ব লাগিব তেনে কথা নাই। এনে উদ্যোগ প্ৰায় সকলো ঠাইতে স্থাপন কৰিব পাৰি। চলন্ত উদ্যোগৰ স্থান উদ্যোগৰ বাবে প্ৰয়োজনীয় কাৰক যেনে কেঁচামাল, নিপুণ বনুৱা যাতায়াত তথা বজাৰৰ অৱস্থানে নিৰ্ধাৰণ নকৰে। সেয়েহে এনে উদ্যোগ যিকোনো ঠাইতে স্থাপন কৰিব পাৰি। সেইবাবেই এনে উদ্যোগক চলন্ত শিল্পদ্যোগ বোলা হয়। চলন্ত যদিও উপযুক্ত যাতায়াত, নিয়মীয়া বিদ্যুৎ সৰবৰাহ আৰু অতি নিপুণ শ্ৰমিক অবিহনে এনে

উদ্যোগ স্থাপন কৰাত অসুবিধা হয়। এনে উদ্যোগত কেঁচামাল কমকৈ লাগে আৰু উৎপাদিত সামগ্ৰীৰ পৰিমাণো কম হয় কিন্তু উভয়ৰে বজাৰ মূল্য অধিক। সেয়েহে এনে উদ্যোগ স্থাপনৰ বাবে কেঁচামাল আৰু উৎপাদিত সামগ্ৰী কঢ়িওৱাৰ খৰচ কম। চলন্ত উদ্যোগৰ পৰা প্ৰদূষণো কমকৈ হয়। অৱশ্যে কিছুমান চলন্ত উদ্যোগৰ বাবে প্ৰদূষণমুক্ত পৰিৱেশ অতি আৱশ্যক। সেইবাবে বহুতো চলন্ত উদ্যোগ তুলনামূলকভাৱে কম প্ৰদূষণ হোৱা চহৰৰ উপকণ্ঠত স্থাপন কৰা ছফট্ৱেৰ টেকন'লজি পাৰ্ক, ইণ্ডিয়া (Software Technology Park, India) এনে কাৰণতে স্থাপন কৰা উদ্যোগৰ এটা উদাহৰণ। বৰ্তমানলৈকে অসমত চলন্ত উদ্যোগৰ সংখ্যা কম যদিও অসম চৰকাৰে এনে ধৰণৰ উদ্যোগ স্থাপনৰ বাবে ভালেমান আঁচনি আৰু প্ৰচেষ্টা হাতত লৈছে আৰু অনতিপলমে অসমত কেইবাটাও চলন্ত উদ্যোগ স্থাপন হ'ব বুলি ধাৰণা কৰা হৈছে।

## অনুশীলনী

১। (ক) খাৰিফ শস্য কাক বোলে?

(খ) ৰবি শস্য কাক বোলে?

(গ) ঔষধি উদ্ভিদ কি?

(ঘ) অসমৰ কিমান শতাংশ লোক কৃষিৰ ওপৰত নিৰ্ভৰশীল?

২। (ক) অসমত ঝুমখেতি ক'ত আৰু কেনেকৈ কৰা হয়?

(খ) শস্যবৰ্ত্তন বুলিলে কি বুজা?

(গ) শস্যকৰ্ষণ তীব্ৰতা বুলিলে কি বুজা?

(ঘ) অসমত কৰা মচলাজাতীয় খেতিসমূহ কি কি?

৩। (ক) অসমৰ কৃষি ব্যৱস্থাৰ আসোঁৱাহসমূহৰ বিষয়ে লিখা।

(খ) অসমত ধানখেতি কোন ঋতুত কেনেদৰে কৰা হয় ব্যাখ্যা কৰা।

(গ) চাহ খেতিৰ বাবে প্ৰয়োজনীয় পৰিৱেশৰ বিষয়ে লিখা।

(ঘ) অসমৰ অৰ্থনৈতিক অৱস্থাৰ এটা চমু আভাস দিয়া।

৪। (ক) অসমত প্ৰথম খাৰুৱা তেল ক'ত খনন কৰা হৈছিল?

(খ) ভাৰতবৰ্ষৰ মুঠ উৎপাদনৰ কিমান শতাংশ চাহ অসমত উৎপাদন হয়?

(গ) অসম ঔদ্যোগিক উন্নয়ন নিগম কোন চনত গঠন কৰা হয়?

(ঘ) অসমৰ প্ৰথমটো সাৰ কাৰখানা ক'ত স্থাপন কৰা হয়?

৫। (ক) কেঁচা সামগ্ৰীৰ ওপৰত নিৰ্ভৰ কৰি অসমৰ উদ্যোগসমূহ বিভক্ত কৰা

(খ) অসমৰ কৃষিভিত্তিক উদ্যোগৰ এটা চমুটোকা লিখা।

(গ) অসমৰ চাহ উদ্যোগৰ বিশেষত্ব অতি চমুকৈ লিখা।

(ঘ) অসমক আগুৰি থকা বিদেশী ৰাষ্ট্ৰকেইখনৰ নাম লিখা।

৬। (ক) অসম শিল্পদ্যোগত পিছপৰি ৰোৱাৰ কাৰণসমূহ ব্যাখ্যা কৰা।

(খ) অসমত গঢ়ি উঠা প্ৰধান উদ্যোগসমূহৰ বিষয়ে লিখা।

(গ) অসমৰ খনিভিত্তিক উদ্যোগসমূহৰ বিষয়ে লিখা।

DAILY ASSAM

৭। নিম্নলিখিত বিকল্পবোৰৰ পৰা শুদ্ধ উত্তৰটো বাছি উলিওৱা

(i) অসমত ২০১১-১২ চনৰ তুলনাত ২০১৫-১৬ চনত কোনটো খণ্ডত আয় বৃদ্ধি পোৱা দেখা গৈছে?

(ক) কৃষিখণ্ড (খ) উদ্যোগখণ্ড

(গ) খনিজাত উৎপাদন খণ্ড (ঘ) সেৱাখণ্ড

(ii) খাৰিফ শস্য কোন মাহত কৰা হয়।

(ক) এপ্ৰিল-মে'ৰ পৰা নৱেম্বৰ-ডিচেম্বৰ (খ) মাৰ্চ মাহৰ পৰা জুন মাহলৈ

(গ) অক্টোবৰৰ পৰা এপ্ৰিললৈ (ঘ) জানুৱাৰীৰ পৰা মে' মাহলৈ

(iii) তলৰ কোনবিধ জাইড্ কৃষিজাত শস্য?

(ক) সৰিয়হ (খ) ধান

(গ) ৰঙালাও (ঘ) ঘেঁহু

(iv) অসমৰ কোনখন জিলাত আটাইতকৈ কম সংখ্যাৰ পঞ্জীয়নভুক্ত উদ্যোগ আছে?

(ক) গোৱালপাৰা (খ) ওদালগুৰি

(গ) মৰিগাঁও (ঘ) ধেমাজি

(v) ভাৰতবৰ্ষৰ মুঠ উৎপাদনৰ শতকৰা কিমান ভাগ চাহ অসমত উৎপাদন হয় ?

(ক) ৩০ % (খ) ৪৫ %

(গ) ৫৪ % (ঘ) ৬৭ %

(vi) ভাৰতৰ আটাইতকৈ পুৰণি ডিগবৈৰ তেল শোধনাগাৰ কোন চনত স্থাপিত হয় ?

(ক) ১৮৯৮ চন (খ) ১৯০১ চন

(গ) ১৯৫১ চন (ঘ) ১৯৭৪ চন

(vii) নিম্নোক্ত কোনবিধ উদ্যোগ যিকোনো ঠাইত স্থাপন কৰিব পাৰি ?

(ক) চাহ উদ্যোগ (খ) বনজ সামগ্ৰীভিত্তিক উদ্যোগ

(গ) খনিভিত্তিক উদ্যোগ (ঘ) চলন্ত উদ্যোগ

●●●

DAILY ASSAM